# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 01-10-2026
**Time :** 0705 HRS.

ASSAMESE NSD MORNING BULLETIN

## HEADLINES

::::::::::::::::::::

১।   প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত  হ'বলগীয়া কেন্দ্ৰীয় লোকসেৱা আয়োগৰ শতবৰ্ষ উদ্‌যাপন অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

২।   কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীত হ'বলগীয়া প্ৰতিৰক্ষা হিচাপ বিভাগৰ ২৭৯ সংখ্যক বাৰ্ষিক দিৱসত অংশ ল'ব।

৩।   চৰকাৰে দেশত প্ৰতিৰোধমূলক আৰু সামগ্ৰিক স্বাস্থ্য সেৱাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা বুলি কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই সদৰী কৰিছে।

৪।   বস্ত্ৰ খণ্ডত প্ৰয়োগ হোৱা শেহতীয়া প্ৰযুক্তি সন্দৰ্ভত আলোচনাৰ উদ্দেশ্যে আজি নতুন দিল্লীত বস্ত্ৰ সমাৰোহৰ আয়োজন কৰা হৈছে।

*আৰু*

৫।   ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ গুৱাহাটীত অনুষ্ঠিত দ্বিতীয়খন খেলত ভাৰতে আলহী দলটোক ৮ উইকেটত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত  হ'বলগীয়া কেন্দ্ৰীয় লোকসেৱা আয়োগৰ শতবৰ্ষ উদ্‌যাপন অনুষ্ঠানত অংশগ্ৰহণ কৰিব আৰু সমবেত লোকসকলক উদ্দেশ্যি ভাষণ দিব। ১৯২৬ চনত কেন্দ্ৰীয় লোকসেৱা আয়োগ প্ৰতিষ্ঠা হোৱাৰ এশ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে যোৱা বছৰৰ ১ অক্টোবৰৰ পৰা আৰম্ভ হোৱা বছৰজোৱা উদযাপনৰ আজি সামৰণি পৰিব। অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীয়ে শতবৰ্ষ উপলক্ষে স্মাৰক মুদ্ৰা, স্মাৰক ডাক টিকট আৰু 100 Landmark Judgements-Shaping the Policies of UPSC and Public Service Commissions in India' শীৰ্ষক এখন গ্ৰন্থ উন্মোচন কৰিব। এই অনুষ্ঠানত ৰাজ্যিক লোকসেৱা আয়োগৰ অধ্যক্ষ, সদস্য, জ্যেষ্ঠ চৰকাৰী বিষয়া, শিক্ষাবিদ, কেন্দ্ৰীয় লোকসেৱা আয়োগৰ বিষয়া আৰু অন্যান্য লোকসকলে অংশগ্ৰহণ কৰিব। লোকসেৱা আয়োগে দুদিনীয়াকৈ আয়োজন কৰা এই অনুষ্ঠানত কালি ভাৰত মণ্ডপমত শতাব্দী সমাৰোহ- মন্থন কাৰ্যসূচী অনুষ্ঠিত হয়।

ooooo

কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীত হ'বলগীয়া প্ৰতিৰক্ষা হিচাপ বিভাগ-DADৰ ২৭৯ সংখ্যক বাৰ্ষিক দিৱসত অংশ ল'ব। এই অনুষ্ঠানতে প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে DADৰ বাবে বিভিন্ন তথ্য প্ৰযুক্তি প্ৰচেষ্টাসমূহৰ শুভাৰম্ভ কৰিব। ইয়াৰ ভিতৰত ভাৰতীয় সেনাৰ বিত্তীয় তথ্য প্ৰণালী বিভাগৰ SAKSHAM-মঞ্চৰ সৈতে একত্ৰিকৰণ, প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ বাবে সংশোধীত ৰাষ্ট্ৰীয় সংকলন প্ৰণালী আৰু প্ৰতিৰক্ষা মন্ত্ৰালয়ত ৰাজকোষীয় একক একাউণ্ট পৰিশোধ আৰম্ভ কৰাৰ বাবে পেমেণ্ট ৰুটিং

আৰু সংহত প্ৰণালী ব্যৱস্থাপনা PRISM মঞ্চ অন্তৰ্ভুক্ত কৰা হৈছে। শ্ৰীসিঙে ইয়াৰ লগতে প্ৰতিৰক্ষা ব্যয় ২০২৬ৰ বিস্তৃত পৰিসংখ্যাগত হাতপুথি, বিভাগটোৰ আভ্যন্তৰীণ হিন্দী আলোচনী আৰু ২০২৫-২৬ বৰ্ষৰ বজাৰৰ প্ৰতিবেদনকে ধৰি প্ৰকাশিত ভালেসংখ্যক আলোচনী উন্মোচন কৰিব।

০০০০০

চৰকাৰে দেশত প্ৰতিৰোধমূলক আৰু সামগ্ৰিক স্বাস্থ্য সেৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰা বুলি কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই সদৰী কৰিছে।

নতুন দিল্লীত অনুষ্ঠিত চাৰিদিনীয়া ৱৰ্ল্ড কংগ্ৰেছ অৱ গেষ্ট্ৰ'এণ্টেৰ'লজী, ২০২৬ শীৰ্ষক কাৰ্যসূচীত নিজৰ ভাষণত মন্ত্ৰীগৰাকীয়ে কয় যে, আয়ুষ্মান ভাৰত-প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত বৰ্তমানলৈকে ৬০ কোটিৰো অধিক হিতাধিকাৰীক সামৰি লোৱা হৈছে। প্ৰতিটো পৰিয়ালক বছৰি ৫ লাখ টকা পৰ্যন্ত বিনামূলীয়া চিকিৎসাৰ নিশ্চয়তা দিয়া এই আঁচনিৰ জৰিয়তে ২ লাখ কোটি টকাতকৈও অধিক ধন ব্যয় কৰি ১৩ কোটিৰো অধিক লোকক চিকিৎসা সুবিধা প্ৰদান কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে।

শ্ৰীনাড্ডাই লগতে প্ৰকাশ কৰে যে, ১৯৯০ ৰ পৰা ২০২৩ চনৰ ভিতৰত ভাৰতত প্ৰসূতি মৃত্যুৰ হাৰ ৮৬ শতাংশ হ্ৰাস পাইছে। অসংক্ৰামক ৰোগসমূহৰ আগতীয়াকৈ চিনাক্তকৰণ আৰু প্ৰতিৰোধৰ ওপৰত গুৰুত্ব প্ৰদান কৰি তেওঁ কয় যে, বিশ্ব গেষ্ট্ৰ'এণ্টেৰ'লজী কংগ্ৰেছৰ দৰে আন্তঃৰাষ্ট্ৰীয় মঞ্চই জ্ঞানৰ আদান-প্ৰদান, উন্নত চিকিৎসা ব্যৱস্থাৰ অধ্যয়ন আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগিতা বৃদ্ধি কৰাত সহায় কৰে। বিশেষকৈ নবীন চিকিৎসকসকলৰ বাবে এনে মঞ্চ গৱেষণা আৰু উদ্ভাৱনৰ ক্ষেত্ৰত মহত্বপূৰ্ণ বুলি তেওঁ উল্লেখ কৰে।

ভাৰতত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত এই চাৰিদিনীয়া কাৰ্যসূচীত বিশ্বৰ বহুসংখ্যক বিশেষজ্ঞ, চিকিৎসক আৰু গৱেষকে অংশগ্ৰহণ কৰিছে।

০০০০০

বস্ত্ৰ খণ্ডত প্ৰয়োগ হোৱা শেহতীয়া প্ৰযুক্তি সন্দৰ্ভত আলোচনাৰ উদ্দেশ্যে আজি নতুন দিল্লীত বস্ত্ৰ সমাৰোহৰ আয়োজন কৰা হৈছে। নতুন দিল্লীত অনুষ্ঠিত এখন সংবাদমেলত লঘু উদ্যোগ ভাৰতীৰ ৰাষ্ট্ৰীয় সাধাৰণ সচিব ওম প্ৰকাশ গুপ্তাই কয়, যে এই সমাৰোহত বস্ত্ৰ খণ্ডৰ সৈতে জড়িত দেশৰ সৰু-বৰ ৪০০ উদ্যোগক একত্ৰিত কৰিব। তেওঁ কয়, যে কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিঙে এই সমাৰোহ উদ্বোধন কৰিব। শ্ৰীগুপ্তাই লগতে কয়, যে এই সমাৰোহৰ মূল বিষয় হিচাপে বিভিন্ন দেশৰ সৈতে মুক্ত বাণিজ্য চুক্তিয়ে কিদৰে নতুন বজাৰ মুকলি কৰিব এই সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। অংশগ্ৰহণকাৰীসকলে বস্ত্ৰ খণ্ডক আগুৱাই নিবলৈ চৰকাৰৰ লক্ষ্য, নীতি আৰু বিভিন্ন আঁচনি সন্দৰ্ভত বিস্তৃতভাৱে দাঙি ধৰিব। তেওঁ কয়, যে সমগ্ৰ দেশৰ প্ৰায় ৪ কোটি ৫ লাখ মানুহ বস্ত্ৰ খণ্ডত সংস্থাপিত হৈছে।

০০০০০

সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ে **স্বচ্ছতাই সেৱা ২০২৬** কাৰ্যসূচীৰ অংশ হিচাপে কালি নতুন দিল্লীত ৰাষ্ট্ৰীয় পৰ্যায়ৰ ছাফাই মিত্ৰ সুৰক্ষা আৰু সন্মান শিবিৰ অনুষ্ঠিত কৰে। এই অনুষ্ঠানত অংশগ্ৰহণ কৰি সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰী ড০ বীৰেন্দ্ৰ কুমাৰে কয়, যে **নমস্তে** আঁচনিৰ জৰিয়তে ছাফাই কৰ্মীসকলৰ সুৰক্ষা, সন্মান আৰু সামাজিক, অৰ্থনৈতিক সৱলীকৰণৰ দিশত গুৰুত্ব দিয়া হৈছে। তেওঁ কয়, যে এই আঁচনিৰ লাভ সকলো ছাফাই কৰ্মীৰ লগতে আৱৰ্জনা বুটলা কৰ্মীসকলেও লাভ কৰিব। মন্ত্ৰী ড০

কুমাৰে যোগ্য কৰ্মীসকলক স্বাস্থ্যৰ যত্ন, সামাজিক সুৰক্ষা আৰু এটা সন্মানজনক জীৱনৰ লগতে সমাজৰ অবিচ্ছেদ্য অংগ হিচাপে গণ্য কৰাটো অতি গুৰুত্বপূৰ্ণ বুলি মন্তব্য কৰে।

এই অনুষ্ঠানত অংশগ্ৰহণ কৰি দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই কয়, যে পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখাটো প্ৰতিজন নাগৰিকৰে কৰ্তব্য। এয়া কেৱল মাত্ৰ ছাফাই মিত্ৰ বা অনাময় কৰ্মীসকলৰে কাম নহয়। তেওঁ কয়, যে অনাময় কৰ্মীসকলে তেওঁলোকৰ প্ৰাপ্য সুৰক্ষা আৰু অধিকাৰ লাভ কৰাটো নিশ্চিত হ'ব লাগিব। এই অনুষ্ঠানৰ সময়ত ছাফাই মিত্ৰসকলৰ মাজত আয়ুষ্মান কাৰ্ড বিতৰণ কৰা হয়। এই কাৰ্ডৰ জৰিয়তে কৰ্মীসকলে চিকিৎসাৰ ক্ষেত্ৰত ৫ লাখ টকা পৰ্যন্ত সাহায্য লাভ কৰিব।

০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰত অনুষ্ঠিত জি-২০ বাণিজ্য মন্ত্ৰীসকলৰ বৈঠকত কেন্দ্ৰীয় বাণিজ্য মন্ত্ৰী পীয়ুষ গোৱেলে পোলেণ্ডৰ বিত্তীয় আৰু অৰ্থনৈতিক মন্ত্ৰী এন্ড্ৰেছ ড'মানস্কিক সাক্ষাৎ কৰে। সামাজিক মাধ্যম এক্স-ত প্ৰকাশ কৰা এটা বাৰ্তাত শ্ৰীগোৱেলে কয়, যে পোলেণ্ডৰ মন্ত্ৰীগৰাকীৰ সৈতে তেওঁৰ এই বৈঠক ফলপ্ৰসূ আছিল। দুয়োগৰাকী নেতাই ভাৰত আৰু পোলেণ্ডৰ মাজত বাণিজ্য আৰু বিনিয়োগ সম্বন্ধীয় বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰে। ভাৰত-ইউৰোপীয় সংঘ মুক্ত বাণিজ্য চুক্তিৰ জৰিয়তে ব্যৱসায়িক আৰু দুয়ো দেশৰ মাজত অৰ্থনৈতিক সহযোগিতাৰ দিশত নতুন সুযোগ সৃষ্টি কৰাৰ বাবেও দুয়োগৰাকী নেতাই আলোচনা কৰে।

০০০০০

অৰুণাচল প্ৰদেশৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী বিয়ুৰাম ৱাহগেই কালি স্বাস্থ্য বিভাগৰ বিষয়াসকলৰ সৈতে ৰাজ্যখনৰ কোনো কোনো অঞ্চলত বৃদ্ধি হোৱা ডেংগু ৰোগ সন্দৰ্ভত পৰ্যালোচনা কৰে। এই বৈঠকত জনসচেতনতা আৰু প্ৰতিৰোধমূলক ব্যৱস্থা শক্তিশালী কৰা, পৰীক্ষা কৰোৱা আৰু ৰোগৰ লক্ষণ আগতীয়াকৈ চিনাক্ত কৰা আদি বিষয়ত আলোচনা অনুষ্ঠিত হয়। ইয়াৰ লগতে অন্যান্য অঞ্চললৈ এই ৰোগৰ সংক্ৰমণ ৰোধ কৰাৰ বাবে সংশ্লিষ্ট বিভাগসমূহৰ সৈতে সমন্বয় শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰা হয়। স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে এই দিশত চোকা দৃষ্টি ৰাখিবলৈ আৰু ৰোগ নিয়ন্ত্ৰণৰ বাবে সমন্বিত ব্যৱস্থা নিশ্চিত কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিছে। ইয়াৰ লগতে মন্ত্ৰীগৰাকীয়ে জনসাধাৰণক সজাগ হৈ থাকিবলৈ, প্ৰয়োজনীয় সাৱধানতা অৱলম্বন কৰিবলৈ আৰু ৰোগৰ লক্ষণ দেখা দিয়া মাত্ৰকে চিকিৎসকৰ পৰামৰ্শ ল'বলৈ আহ্বান জনায়।

০০০০০

০০০০০

ভাৰতে এদিনীয়া ক্ৰিকেটত নিজৰ সৰ্বাধিক ৰান অনুসৰণৰ নতুন অভিলেখ ৰচি ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে তিনিখনীয়া এদিনীয়া শৃংখলাত ২-০ ৰ অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে। গুৱাহাটীৰ বৰ্ষাপৰা ক্ৰিকেট ষ্টেডিয়ামত যোৱা নিশা অনুষ্ঠিত দ্বিতীয়খন খেলত ভাৰতে আলহী দলটোক ৮ উইকেটত পৰাজিত কৰি শৃংখলা দখল কৰাটো সুনিশ্চিত কৰে।

খেলখনত ভাৰতৰ আমন্ত্ৰণমৰ্মে প্ৰথমে বেটিং কৰিবলৈ নামি ৱেষ্ট ইণ্ডিজে জন কেম্পবেল, শ্বাই হোপ আৰু আমিৰ জাংগুৰ শতকৰ সহায়ত ৭ উইকেটত ৪০৫ ৰান সংগ্ৰহ কৰে। এয়া দলটোৰ এদিনীয়া ক্ৰিকেটত সৰ্বাধিক ৰাণ।

প্ৰত্যুত্তৰত ভাৰতেও চমকপ্ৰদ প্ৰদৰ্শনেৰে ৪৩ অ'ভাৰ আৰু ৩টা বলত মাত্ৰ ২টা উইকেট হেৰুৱাই এই বিশাল লক্ষ্য অতিক্ৰম কৰে। অধিনায়ক শুভমন গিলে ১৩৩ বলত ২২৩ ৰান কৰি আউট নোহোৱাকৈ থকাৰ বিপৰীতে ৰোহিত শৰ্মাই ৭৫ বলত ১০১ ৰান কৰে । দুয়োগৰাকী প্ৰাৰম্ভিক বেটাৰে প্ৰথম উইকেটত ২৫৫ ৰান যোগ কৰি নতুন অভিলেখ গঢ়িবলৈ সমৰ্থ হয়। ইপিনে শুভমন গিলে মাত্ৰ ১১৭ বলত দ্বিশতক সংগ্ৰহ কৰি এদিনীয়া ক্ৰিকেটৰ দ্ৰুততম দ্বিশতকৰ বিশ্ব অভিলেখ অৰ্জন কৰাৰ লগতে ৰাণ অনুসৰণৰ ক্ষেত্ৰত এটা ইনিংছত সৰ্বাধিক ৰাণ কৰা ভাৰতীয় খেলুৱৈত পৰিণত হয়। গিল খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈৰূপেও নিৰ্বাচিত হয়।একেখন খেলতে ৰোহিত শৰ্মাই বিশ্বৰ দ্বিতীয় দ্ৰুততম বেটাৰৰূপে ১২ হাজাৰ ৰান সম্পূৰ্ণ কৰে। এখন এদিনীয়াত ৫ গৰাকী খেলুৱৈয়ে শতক অৰ্জন কৰাৰ বিৰল অভিলেখো কালিৰ খেলখনত ৰচিত হয়।

থিৰুৱনন্তপুৰমত হোৱা প্ৰথমখন খেলতো ভাৰত ৮ উইকেটত জয়ী হৈছিল। শৃংখলাৰ তৃতীয় তথা অন্তিম মেচখন অহা শনিবাৰে নিউ চণ্ডীগড়ত অনুষ্ঠিত হ’ব।

০০০০০

সমাপ্ত